# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-01-2025
**Time :** 2125 Hrs

# *Assamese Night Bulletin*
**- - - - - - - - - - - - - - -**

স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কাৰ্যসূচী গ্ৰহণ কৰা হয়। ভাৰতীয় জনতা যুৱ মৰ্চা অসম প্ৰদেশৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ ৫০গৰাকী যুৱ প্ৰতিভাধৰক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত পৰিৱৰ্তিত ইতিবাচক পৰিবেশ অক্ষুন্ন ৰাখিবলৈ যুৱ সমাজৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে ভাৰতবৰ্ষৰ উজ্বল ভৱিষ্যতৰ সপোন দেখা স্বামী বিবেকানন্দই নিজৰ জীৱন কালতেই নহয়, এতিয়াও তেওঁৰ বাণীসমূহেৰে যুৱ সমাজক প্ৰেৰণা যোগাই আছে। স্বামী বিবেকানন্দই এখন নতুন ভাৰত গঢ়াৰ বাবে জনোৱা আহ্বান অনুসৰি যুৱ সমাজে আধুনিক যুগৰ বিশ্বগুৰু হিচাপে ভাৰতক প্ৰতিষ্ঠিত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। দীঘলীয়া অশান্তি জৰ্জৰ পৰিবেশৰ পাছত অসমত আশাৰ বন্তি জ্বলিছে বুলি উল্লেখ কৰি তেওঁ কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ২০২১ চনত হত্যা, হিংসা আৰু নিৰাশাৰ পৰিৱৰ্তে এখন শান্তি আৰু প্ৰগতিৰ অসম গঢ়িবলৈ আৰম্ভ কৰিছিল। এই প্ৰচেষ্টাৰ ফল ৰাজ্যখনে এতিয়া লাভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। দ্য নিউয়ৰ্ক টাইমছ বাতৰি কাকতখনত অসম সম্পৰ্কীয় ইতিবাচক বাতৰি প্ৰকাশ পোৱাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাকতখনে পৃথিৱীৰ ৫২টা উল্লেখনীয় পৰ্যটন স্থানৰ ভিতৰত অসমক চতুৰ্থ স্থান দিছে। এয়া অভাৱনীয় সফলতা বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে যুৱ সমাজক এই সফলতাৰ ধাৰা বহন কৰিবলৈ আহ্বান জনায়।

ধুবুৰীতো স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে ১০ জানুৱাৰীৰ পৰা আয়োজিত কাৰ্যসূচীৰ অংশ হিচাপে আজি বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। কাইলৈ আয়োজিত মূল অনুষ্ঠানত পশ্চিম বংগৰ ৰাধাকৃষ্ণ বিবেকানন্দ সেৱাশ্ৰমৰ স্বামী ভিজ্ঞানন্দ তীৰ্থই অংশগ্ৰহণ কৰিব বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

গুৱাহাটীৰ খানাপাৰাত আয়োজিত পঞ্চম অসম পশুধন আৰু হাঁহ-কুকুৰা মেলাৰ আজি সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পশুপালক আৰু হাঁহ-কুকুৰা পালকসকলক চৰকাৰী আঁচনিসমূহৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ৰাজ্যখনত বহনক্ষম উন্নয়ন সুনিশ্চিত কৰি বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত অসমৰ প্ৰচেষ্টাৰ অংশীদাৰ হ'বলৈও পৰামৰ্শ দিয়ে। এই মেলাই ৰাজ্যৰ যুৱ প্ৰজন্মক পশুপালন খণ্ডত থকা সম্ভাৱনা অন্বেষণৰ প্ৰতি আগ্ৰহী কৰি তুলিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। নিজৰ ভাষণত ৰাজ্যপালগৰাকীয়ে ভাৰতে বিগত ৯ বছৰত দুগ্ধ উৎপাদন ৫৭ দশমিক ৬-২ শতাংশলৈ বৃদ্ধি কৰিছে বুলি উল্লেখ কৰে। তেওঁ কয় যে এই বৃদ্ধিৰ বাৰ্ষিক হাৰ ৬ শতাংশ। ৰাষ্ট্ৰীয় গকুল অভিযানৰ অধীনত

দেশখনে এই সফলতা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ উল্লেখ কৰে। আজিৰ অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালৰ উপৰি বিভাগীয় শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

০০০০০

কাইলৈ ভোগালী বিহুৰ উৰুকা। উৰুকাৰ নিশা পৰিয়াল আৰু আত্মীয় সকলোৱে মিলি আনন্দৰে এসাজ খোৱাৰ বাবে ৰাজ্যজুৰি জনসাধাৰণে প্ৰস্তুতি চলাইছে। উৰুকাৰ বাবে মাছৰ যোগান ধৰিবলৈ ৰাজ্যৰ মৎস্য ব্যৱসায়ীসকল আজিৰে পৰাই সাজু হৈছে। বৃহত্তৰ উজান বজাৰ অনুসূচিত নিবনুৱা মৎস্য ব্যৱসায়ী কাইলৈ ৭০ মাছ বিক্ৰীৰ লক্ষ্য লৈছে। পৰহিলৈ বিহুৰ বাবেও ৰাজ্যজুৰি আনন্দমুখৰ পৰিবেশে বিৰাজ কৰিছে। পৰহিলৈ পুৱাতে ৰাজ্যবাসীয়ে মেজি জ্বলাই অগ্নি দেৱতাক সেৱা কৰি বছৰটোৰ বাবে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জিয়ৰী-বোৱাৰীসকলে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰি অতিথিসকলক আপ্যায়নৰ বাবে সাজু হৈছে। গুৱাহাটী মহানগৰীৰ বজাৰসমূহত বিহুৰ পিঠা-পনা, দৈ-ক্ৰীম-সান্দহকে ধৰি উপাদেয় সামগ্ৰীৰে উভৈনদী হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লখিমীক আদৰি উৎসাহেৰে ভোগালী বিহু পালন কৰিবলৈ ৰাজ্যবাসীক আহ্বান জনাইছে।

০০০০০

দক্ষিণ কামৰূপৰ মিৰ্জাৰ অগ্ৰণী সাহিত্যিক সাংস্কৃতিক অনুষ্ঠান গণ সাহিত্য সাংস্কৃতিক মঞ্চৰ উদ্যোগত অহা ১৭ জানুৱাৰীত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত একবিংশ শিল্পী দিৱস পালনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কেইবাগৰাকীও শিল্পীক সম্বৰ্দ্ধনাও জনোৱা হ'ব। অনুষ্ঠানৰ অংশ হিচাপে ৰূপকোঁৱৰৰ জীৱন সন্দৰ্ভত আলোচনা সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

কোকৰাঝাৰ জিলাৰ কাশীবাৰীৰ কাণ্ডাৰাম বসুমতাৰী মিনি ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয় প্ৰয়াত গোপাল চন্দ্ৰ বসুমতাৰী স্মাৰক ফুটবল প্ৰতিযোগিতাত বৰলাংফা ক্লাব বিজয়ী হৈছে। আজি অনুষ্ঠিত চূড়ান্ত খেলত দলটোৱে গাঁওবুঢ়া সন্থাক ১-০ গ'লত পৰাজিত কৰে।

০০০০০

ৰাজকোটত অনুষ্ঠিত দ্বিতীয়খন এদিনীয়া ক্ৰিকেট খেলত ভাৰতীয় মহিলা দলটোৱে আয়াৰলেণ্ডক ১১৬ ৰাণত পৰাস্ত কৰিছে। প্ৰথমে বেটিং কৰি ভাৰতে জয়ৰ বাবে নিৰ্ধাৰণ কৰি দিয়া ৩৭১ ৰাণৰ বৃহৎ লক্ষ্য অনুসৰণ কৰি আয়াৰলেণ্ডৰ দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২৫৪ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ দীপ্তি শৰ্মাই তিনিটা আৰু প্ৰিয়া মিশ্ৰই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে টছত জিকি প্ৰথমে বেট ধৰি ভাৰতে নিজৰ ইনিংছত ৫ উইকেটৰ বিনিময়ত ৩৭০ ৰাণ সংগ্ৰহ কৰে।

০০০০০

সমাপ্ত